SEMESTER END INTERNAL EXAMINATION-2024

BA 6th SEM (CBCS)

Sub:ASM-HC-6016

'Asomiya Chuti Galpo Aru Upanyas'

Full marks:30. Time:1.5 hou

১) উত্তৰ লিখা: ১×৫=৫

ক) অসমীয়া চুটি গল্পৰ জনক কোন?

খ) দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচিত এখন উপন্যাসৰ নাম লিখা।

গ) জোনাকী কাকত প্ৰথম কেতিয়া প্ৰকাশ হৈছিল ?

ঘ) বিৰিঞ্চি কুমাৰ বৰুৱাৰ এটি ছদ্ম নাম উল্লেখ কৰা।

ঙ) আৱাহন যুগৰ এজন গল্পকাৰৰ নাম লিখা।

২) চমু উত্তৰ লিখা: (যি কোনো ৫টা): ২×৫=১০

ক) বেজবৰুৱাৰ দুখন গল্প পুথিৰ নাম লিখা।

খ) 'ৰাজনীতি নুবুজা মানুহ'--গল্পৰ দুটি নাৰী চৰিত্ৰৰ নাম লিখা।

গ)যোগেশ দাসৰ দুখন উপন্যাসৰ নাম লিখা।

ঘ) বেজবৰুৱাৰ গল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

ঙ)লক্ষ্মীধৰ শৰ্মাৰ দুটি উল্লেখযোগ্য গল্পৰ নাম লিখা।

চ) চুটি গল্পৰ আৰম্ভণি আৰু সামৰণি কেনে হোৱা উচিত?

৩) চমু টোকা লিখা: (যি কোনো এটা): ৫×১=৫

ক) নীনা খ) বৰদেউতা।

৪)' ৰাজনীতি নুবুজা মানুহ' শীৰ্ষক গল্পটোৰ এটি বিশ্লেষণ আগবঢ়োৱা। ১০

অথবা

'বৰদেউতা' নামৰ গল্পত বৰদেউতাৰ ভূমিকা গল্পটিৰ আলমত আলোচনা কৰা। ১০

Semester end Internal Examination, 2024
Sub: ASM-HE-6016

মুঠ নম্বৰঃ ৩০ সময়ঃ ১½ঘণ্টা

১। তলৰ প্ৰশ্নকেইটাৰ পোনপটীয়া উত্তৰ লিখাঃ ১ X ৫ = ৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত উল্লেখ কৰা তেওঁৰ জন্ম চনটো কি ?

(খ) বেজবৰুৱাই কেইটি বছৰ বৰপেটাত কটাইছিল ?

(গ) বেজবৰুৱাৰ পিতৃয়ে কোনজন পুত্ৰক কবিৰাজী বিদ্যা শিকাইছিল ?

(ঘ)দুৰ্গেশ্বৰ শৰ্মা খনিকৰে বেজবৰুৱাক কি বাদ্য সাজি দিছিল ?

(ঙ) বুদুৰাম মুক্তিয়াৰ কোন সত্ৰৰ ভকত আছিল ?

২। চমুকৈ উত্তৰ লিখাঃ ২ X ৫ = ১০

(ক)বেজবৰুৱাই তেওঁৰ নাম লক্ষ্মীনাথ ৰখাৰ কাৰণ কি বুলি কৈছে ?

(খ) বেজবৰুৱাৰ দেউতাকে তেওঁলোকক মাদুৰী বন খাব কিয় নাপায় বুলি কৈছিল ?

(গ) বেজবৰুৱাৰ বৰপেটা সত্ৰত কি পাত্ৰত কি জলপান খোৱা মনত আছিল ?

(ঘ) বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত উল্লেখ কৰা মতে অসমত ছোৱালী জন্ম হ'লে কি নিয়ম পালন কৰে ?

(ঙ) শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত থকা দুটা দৌলৰ নাম লিখা।

৩। গুৱাহাটী আৰু শিৱসাগৰ প্ৰাকৃতিক সৌন্দৰ্যৰ বৰ্ণনা বেজবৰুৱাৰ আত্মজীৱনীৰ আলমত চমুকৈ লিখা। ৫

৪। বেজবৰুৱাৰ ঘৰত পালন কৰিবলগীয়া দৈনিক কাৰ্যৰ তালিকাখনৰ বিৱৰণ দাঙি ধৰা ১০

অথবা

বেজবৰুৱাৰ লগুণদিয়নী সম্পৰ্কীয় কথাখিনি তেওঁৰ আত্মজীৱনীৰ আলমত বৰ্ণনা কৰা।

6th HE-6

SEMESTER END INTERNAL EXAMINATION—2024

BA 6th Sem(CBCS)

SUB--ASM-HC-6026

Asamiya Lipir Itihas

মুঠ নং--৩০

সময়—১. ৫ ঘণ্টা

১) তলৰ প্ৰশ্ন কেইটাৰ পোনপটীয়া উত্তৰ লিখা।

ক। মধ্যযুগীয় অসমীয়া লিপিৰ প্ৰধান শৈলী বা ৰীতি কেইটা? ১×৫=৫

খ। সুৰেন্দ্ৰ বৰ্মাৰ লিপিখনৰ নাম কি?

গ। কানাই বৰশীবোৱা শিলৰ ফলি কেতিয়া খোদিত হৈছিল?

ঘ। কি ধৰনৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয়?

ঙ।'হস্তীবিদ্যাৰ্ণৱ' পুথিখন কি লিপিত লিখা হৈছিল?

২।চমু উত্তৰ লিখা।

ক। আহোম ৰাজধানীক কেন্দ্ৰ কৰি গঢ়ি উঠা লিপিটোৰ নাম কি?এই লিপি ক'ত ব্যৱহাৰ হোৱা দেখা যায়? ২×৫=১০

খ। খৰোষ্ঠী লিপিত লিখিত দুখন অনুশাসনৰ নাম লিখা।

গ। ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা হৈছিল?

ঘ। প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল আৰু পুথিখনৰ নাম কি?

ঙ। সাঁচিপাত আৰু তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

৩। চমুটোকা লিখা। (যিকোনো এটা)

ক। ব্ৰাহ্মী লিপি। ৫

খ। উমাচল শিলালিপি।

৪। কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

বা ১০

অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

SEMESTER END INTERNAL EXAMINATION-2024

BA 6th SEM (CBCS)

Sub:ASM-HE-6026

'বাণীকান্ত কাকতি'

Time-1.5 hours

Full Marks-30

১। শুদ্ধপটিয়া উত্তৰ দিয়া: ৫

ক) ড:বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম লিখা।

খ) ড:কাকতিৰ একমাত্ৰ শিশু-সাহিত্যৰ নিদৰ্শন কি?

গ) 'নামঘোষা' গ্ৰন্থক কিয় 'হেজাৰী-ঘোষা' বুলি কোৱা হয়?

ঘ) 'বধকাব্য'বোৰ প্ৰধানকৈ মহাভাৰতৰ কোনটো পৰ্বৰ আধাৰত ৰচিত?

ঙ) 'কথা-কবিতা'ৰ জনক বুলিলে কাক বুজায়?

২। যিকোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ লিখা: ২×৫=১০

ক) ড:বাণীকান্ত কাকতিৰ গৱেষণা-গ্ৰন্থখন কিমান চনত কোনে প্ৰথম প্ৰকাশ কৰিছিল?

খ) মাধৱদেৱে জীৱনৰ কোন সময়ত আৰু কত 'নামঘোষা' গ্ৰন্থখন ৰচনা কৰিছিল?

গ) ৰাম-সৰস্বতীয়ে ৰচনা কৰা দুখন 'বধকাব্য'ৰ নাম লিখা।

ঘ) 'গুৰু-চৰিত'ৰ মতে শংকৰদেৱে কিমান বৰগীত ৰচনা কৰিছিল? মাধৱদেৱৰ বৰগীতৰ সংখ্যা কিমান?

ঙ) 'তুমি' কাব্যৰ কবি কোন? ইয়াত কিমানটা স্তৱক আছে?

চ) 'কথা-কবিতা'ৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩। যিকোনো এটা বিষয়ৰ চমুটোকা লিখা: ৫

(ক) ৰাম সৰস্বতী, (খ) মাধৱদেৱ, (গ)যতীন্দ্ৰ নাথ দুৱৰা।

৪। ড:কাকতিয়ে উল্লেখ কৰা 'নামঘোষা'ৰ প্ৰধান ধাৰা তিনিটা আলোচনা কৰা। ১০

নাইবা,

ড:কাকতিয়ে 'বেজবৰুৱা'প্ৰবন্ধত বেজবৰুৱাৰ তিনিটা বিশেষ অৱদানৰ কথা কেনেদৰে আলোচনা কৰিছে তেমাৰ আধাৰত বুজাই লিখা।